কেন্দ্ৰ চৰকাৰৰ সিদ্ধান্তক ৰাজ্য চৰকাৰে অনুসন্ধান কৰিব পাৰেনে ?

**দিনাংক- ১২ ফেব্ৰুৱাৰী ২০১৪**

**অৰুণ জেটলী**

**ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা**

যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা ভাৰতীয় সংবিধনৰ মৌলিক গাঠঁনিৰ এটি অংশ । যুক্তৰাষ্ট্ৰীয় সূত্ৰ সংশোধন কৰিব নোৱাৰি । কেন্দ্ৰ আৰু ৰাজ্যৰ ক্ষেত্ৰাধিকাৰ নিকাভাৱে সীমাংকন কৰা আছে । দুয়োৰে ক্ষেত্ৰাধিকাৰ একে হোৱাৰ কোনো থল নাই ।

সাধাৰণতে আমি যেতিয়া যুক্তৰাষ্ট্ৰীয় ভাবুকিৰ ধাৰণা কৰো তেতিয়া সন্দেহ কৰা যায় যে কেন্দ্ৰই যুক্তৰাষ্ট্ৰীয় সূত্ৰৰ অধিকাৰ উলংঘন কৰিছে । কেন্দ্ৰই নিজৰ বিভাগৰ জড়িয়তে ৰাজ্যত কি কি হৈ আছে তাৰ অনুসন্ধান কৰিব নোৱাৰে । কেৱল চূড়ান্ত কেচতহে পৰামৰ্শ আগবঢ়াব পাৰে অথবা সংবিধানিক ব্যৱস্থা ভংগ হোৱাৰ সময়ত অনুচ্ছেদ ৩৫৬ অনাৰ ক্ষমতা আছে । ৰাজ্য চৰকাৰৰ ৰাজ্যিক কৰ্ম্চাৰীক অনুসন্ধান কৰা কেন্দ্ৰীয় অনুসন্ধান বিভাগৰ ক্ষমতা এনে কেচতে সীমিত, যেতিয়া ৰাজ্যচৰকাৰে বিশেষভাৱে অনুসন্ধানৰ স্বীকৃতি দিয়ে অথবা উচ্চ ন্যায়লয় বা উচ্চতম ন্যায়লয়ে কেন্দ্ৰীয় অনুসন্ধান বিভাগক অনুসন্ধান কৰাৰ নিৰ্দেশ জাৰী কৰে ।

যোৱাকালি দিল্লীত যি হৈছিল তাৰ মন্তব্য দিয়াৰ প্ৰয়োজন আছে । মোৰ মন্তব্য, প্ৰাকৃতিক গেছৰ মূল্য নিৰ্ধাৰণ কৰা অথবা কোনো সচ্ছতাৰ লগত জয়িত নহয় । সংসদত ভূক্তভূগী লোকে এনে বিষয়ক উত্থাপন কৰাৰ অধিকাৰ আছে আৰু কেন্দ্ৰ অথবা ন্যায়লয়ৰ জড়িয়তে প্ৰত্যক্ষভাৱে অনুসন্ধান বিছাৰিব পাৰে । ইয়াত বিষয়টো হৈছে, ৰাজ্য চৰকাৰে নিজৰ এণ্টি ক'ৰাপচন বিভাগৰ জড়িয়তে কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ অনুসন্ধান কৰিব পাৰে নে ?

ৰাজ্যিক বিধানসভাৰ সৈতে দিল্লী এক কেন্দ্ৰীয় শাসিত ৰাজ্য । দিল্লীৰ আইনপ্ৰণয়ণকাৰী আৰু কাৰ্য্যপালিকাৰ ক্ষেত্ৰাধিকাৰ, অনুচ্ছেদ ২৩৯ AA ত উল্লেখ কৰা আছে । ৭ চিডুলৰ অন্তৰ্গত ৰাজ্যিক তালিকাৰ প্ৰৱিষ্টি ১, ২ আৰু ১৮ দিল্লীৰ বাবে প্ৰযোজ্য নহয় । ১ নং প্ৰৱিষ্টি আইনী ব্যৱস্থা, ২ নং প্ৰৱিষ্টি পুলিচ আৰু ১৮ নং প্ৰৱিষ্টি ভূমিৰ লগত জড়িত । সেইবাবে আইনী ব্যৱস্থা আৰু পুলিচ নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা বৰ্ত্তমানৰ দিল্লীৰ বিধানসভাৰ নাই । কাৰ্য্যপালিকাৰ ক্ষমতাৰ লগত আইনপ্ৰনয়ণ কৰাৰ ক্ষমতা ওতঃ-প্ৰোতঃভাৱে জড়িত । সেইবাবে দিল্লী চৰকাৰৰ কোনো পুলিচৰ ওপৰত ক্ষমতা নাই

। এনেক্ষেত্ৰত দিল্লীৰ চৰকাৰৰ এণ্টি ক'ৰাপচন ব্ৰান্সৰ কাৰ্য্য কি ? এণ্টি ক'ৰাপচন ব্ৰান্স দিল্লী চৰকাৰৰ ভিজিলেন্চ ডাইৰেক্ট'ৰেটৰ এটি অংশ । চমূকৈ ক'বলৈ গ'লে ইয়াৰ কাৰ্য্য ভিজিলেন্সৰ সৈতেহে, পুলিচ ক্ষমতাৰ সৈতে নহয় । ভিজিলেন্সৰ লগতে দিল্লী চৰকাৰৰ দুৰ্ণিতিগ্ৰস্ত ৰাজ্যিক কৰ্মচাৰী আৰু বিভাগক অনুসন্ধান কৰাৰ ক্ষমতা আছে । সেইবাবে দিল্লী চৰকাৰৰ ভিজিলেন্স ডাইৰেক্ট'ৰেট অথবা এণ্টি ক'ৰাপচন ব্ৰান্সৰ দিল্লীৰ সীমাৰ ভিতৰত পুলিচৰ সীমাহীন ক্ষমতা ধাৰণ কৰাটোৱে ইয়াকেই বুজাব যে ৰাজ্যিক তালিকাৰ ২ নং প্ৰৱিষ্টি দিল্লীত প্ৰযোয্য হয় । সংবিধানৰ অনুচ্ছেদ ২৩৯ AA য়ে বিশেষভাৱে ইয়াক বাধা প্ৰদান কৰিছে । ই বুজাব যে ৰাষ্ট্ৰীয় ৰাজধানীত স্থিত কেন্দ্ৰীয় চৰকাৰৰ কাৰ্য্যসমূহৰ ক্ষেত্ৰাধিকাৰ সমান । অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰ নিজৰ ভিজিলেন্সৰ ক্ষেত্ৰাধিকাৰ আৰু দিল্লী চৰকাৰৰ ভিজিলেন্সৰ ক্ষেত্ৰাধিকাৰ দুয়োৰে ভিতৰত পৰিব । অৰ্থাৎ প্ৰধানমন্ত্ৰীৰ পৰা কেবিনেট চেক্ৰেটেৰীৰ পৰা সকলো ৰাজ্যিক কৰ্মচাৰী যিসকল ৰাজ্যচৰকাৰৰ সীমাক্ষেত্ৰত আছে সকলোকে প্ৰভাৱিত কৰিব । পুলিচৰ দ্বৰে এই সকলো ক্ষমতাৰ উপস্থিতি সন্দেহজনক । কেন্দ্ৰীয় চৰকাৰক ৰাজ্যিক চৰকাৰৰ পুলিচৰ ক্ষেত্ৰাধিকাৰলৈ আনিলে সংবিধানৰ বিকৃতকৰণ কৰা হ'ব । ইয়াৰ বিপৰীতে ই যুক্তৰাষ্ট্ৰীয় সূত্ৰৰ উলংঘন কৰা হ'ব । পত্ৰৰ বৈধ্যতা আৰু সংবিধানৰ আত্মাইও ৰাষ্ট্ৰীয় নেতা বিচাৰে । দু:সাহসিক কাৰ্য্যৰ জড়িয়তে সাংবিধানিক প্ৰতিষ্ঠান সংৰক্ষণ কৰিব নোৱাৰি । অন্য প্ৰকাৰে মতা-মত ৰখা বিচাৰপীঠৰ সঠিকতাক মই গম্ভীৰভাৱে সন্দেহ কৰো ।

জইন্ট চেক্ৰেটেৰী আৰু ইয়াতকৈ উচ্চ পদৰ লোকসেৱা বিষয়াৰ বাবে চিংগুল পইন্ট ডাইৰেক্টিভ প্ৰযোয্য হয়, যাৰ মতে তেওঁলোকতকৈ নিম্ন পদৰ লোকক অনুসন্ধান কৰোৱাবলৈ কেন্দ্ৰীয় চৰকাৰৰ অনুমতিৰ প্ৰয়োজন । উচ্চতম ন্যায়লয়ে এই ডাইৰেক্টিভক বিধিগত নহয় বুলি অবৈধ মান্যতা দিছে । বিধিগত সমৰ্থন বলবৎ কৰাৰ পাছতো ইয়াক উচ্চতম ন্যায়লয়ৰ সন্মূখত প্ৰত্যাহৱান জনোৱা হৈছে । বিবাদিত চিংগুল পইণ্ট ডাইৰেক্টিভৰ এটি যুক্তি আছিল যে আইন ব্যৱস্থা আৰু পুলিচ, ৰাজ্যৰ বিষয়বস্তু । ৰাজ্যৰ চাব ইনস্পেক্টৰ অফ পুলিচে প্ৰধানমন্ত্ৰী অথবা কেবিনেট চেক্ৰেটেৰীক অনুসন্ধানৰ বাবে চামন দিব লগা হ'লে কি হ'ব ? ৰাজনৈতিক কাৰণৰ বাবেও এই শক্তিৰ অপব্যৱহাৰ হ'ব পাৰে । মতামত প্ৰকাশ কৰা হৈছিল যে এনে অনুসন্ধানৰ পূৰ্বে কেন্দ্ৰ চৰকাৰৰ অনুমতিৰ প্ৰয়োজন । চিংগুল পইন্ট ডাইৰেক্টিভক সমালোচনা কৰা হৈছে । কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তক অনুসন্ধান কৰিব বিচৰা দিল্লীৰ চৰকাৰৰ কাৰ্য্যই চিংগুল পইণ্ট ডাইৰেক্টিভৰ এটি যুক্তিকো তল পেলাইছে । আম আদমী চৰকাৰে উপলব্ধি কৰিব লাগে যে দু:সাহসিক আৰু উত্তেজনাপূৰ্ণ কাৰ্য্য সাংবিধানিক পূৰ্ব দৃষ্টান্তৰ বাবে সঠিক নহয় ।